**অধিসূচনা**
**ভাৰতীয় ৰিজাৰ্ভ বেংক**

আৰ বি আই/২০০৭-০৮/২৮০
ডি জি বি এ. জি এ ডি. নং এইচ. ১০৮৭৫/৪২.০১.০৩৮/২০০৭-০৮

১০ এপ্ৰিল, ২০০৮

অধ্যক্ষ তথা পৰিচালন সঞ্চালক/ পৰিচালন সঞ্চালক
ভাৰতীয় ষ্টেট বেংক আৰু ইয়াৰ সহযোগী/
সকলো ৰাষ্ট্ৰীয়কৃত বেংক/এক্সিছ বেংক লি:/
এইচ ডি এফ চি বেংক লি:/আই চি আই চি আই বেংক লি:/
আই ডি বি আই লি:/জে এণ্ড কে বেংক লি:

মহাশয়,

**১-৪-২০০৮ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ নিৰ্দ্দিষ্ট শ্ৰেণীৰ কৰদাতাসকলৰ দ্বাৰা বাধ্যতামূলক ইলেক্ট্ৰনিক কৰ আদায়**

আপুনি জানে যে কেন্দ্ৰীয় প্ৰত্যক্ষ কৰ বোৰ্ডে ১৩-৩-২০০৮ তাৰিখৰ অধিসূচনা নং ৩৪/২০০৮ যোগে (প্ৰতিলিপি সংলগ্ন কৰা হৈছে) ১-৪-২০০৮ তাৰিখৰ পৰা নিম্নলিখিত শ্ৰেণীৰ কৰদাতাসকলৰ ইলেক্ট্ৰনিক কৰ আদায় বাধ্যতামূলক কৰিছে।

(ক) কোনো কোম্পানী
(খ) কোনো ব্যক্তি (একোটা কোম্পানীৰ বাহিৰে) যাৰ ক্ষেত্ৰত ৪৪ এ বি (44 AB) ধাৰা প্ৰযোজ্য

(২) এইক্ষেত্ৰত চৰকাৰী অধিসূচনা ৰূপায়ন কৰাৰ সময়ত নিম্নোল্লিখিত নিৰ্দেশনাসমূহ মনত ৰাখিব পাৰে।

(১) সকলোবোৰ প্ৰতিষ্ঠানিক কৰদাতাক নিজৰ নামটোৰ জৰিয়তে চিনাক্ত কৰিব পৰা যায়। তদুপৰি সকলোবোৰ প্ৰতিষ্ঠানিক কৰদাতাৰ PANৰ চতুৰ্থ সংখ্যাটো ‘c’ হোৱাটো বাঞ্চনীয়। এনেধৰণৰ প্ৰতিষ্ঠানৰ প্ৰত্যক্ষ চালান কাউণ্টাৰৰ জৰিয়তে গ্ৰহণ কৰা নহব।

(২) ৪৪ এ বি ধাৰাৰ অধীনত সামৰি লোৱা কৰদাতাসকলৰ ক্ষেত্ৰত, বেংক কাউণ্টাৰত প্ৰত্যক্ষ চালানৰ জৰিয়তে কৰ আদায়ৰ বাবে কোনো প্ৰমাণ বা স্বীকৃতিৰ বাবে দাবী জনোৱা উচিত নহয়। ই- মেইলৰ জৰিয়তে (e-payment) কৰ আদায়ৰ ব্যৱস্থাৰ দায়িত্ব প্ৰাথমিকভাৱে কৰদাতাৰ। সেয়েহে, কৰদাতাসকলৰ জৱানবন্দী চূড়ান্ত হিচাবে গ্ৰহণ কৰা উচিত।

(৩) ই- মেইলৰ জৰিয়তে কৰ আদায়ৰ (e-payment) প্ৰাপ্তিস্বীকাৰ সংশ্লিষ্ট বেংক কৰ্তৃপক্ষই তাৎক্ষনিকভাৱে স্ক্ৰীনত উপলব্ধ কৰা উচিত।

(৪) ই-মেইলৰ জৰিয়তে কৰ আদায়ৰ (e-payment) লেন-দেন সম্পৰ্কীয় তথ্য পাতি বেংকৰ বিবৃত্তিত প্ৰতিফলিত হোৱা উচিত।

(৫) প্ৰতিটো বেংকে e-paymentৰ প্ৰথম পৃষ্ঠা স্পষ্টভাৱে প্ৰদৰ্শনৰ ব্যৱস্থা কৰিব লাগে, যাতে কৰদাতাসকলে কৰ আদায়, কাউণ্টাৰফইল আদি আনুসংগিক বিষয়সমূহৰ ক্ষেত্ৰত কিবা অসুবিধাৰ সন্মূখীন হ'লে বেংকৰ বিষয়াবৰ্গৰ সৈতে যোগাযোগ কৰিব পাৰে।

(৬) প্ৰতিটো বেংকে বিষয়াসকলৰ যোগাযোগৰ তথ্যপাতি সম্বলিত এখন তালিকাৰ সৈতে আয়কৰ বিভাগ (ITD) আৰু ৰাষ্ট্ৰীয় প্ৰতিভূতি ভড়াল লিমিটেড (NSDL)লৈ পঠাব লাগে, যাতে আয়কৰ বিভাগ (ITD) বা কৰদাতাসকলে কিবা সমস্যাৰ সন্মূখীন হ'লে তেওঁলোকৰ লগত যোগাযোগ কৰিব পাৰে।

৪. প্ৰয়োজনীয় নিৰ্দেশনাসমূহ আপোনাৰ সংশ্লিষ্ট শাখাবোৰলৈ জাৰি কৰিব পাৰে।

আপোনাৰ বিশ্বাসী

(এম টি ভাৰ্গিজ)
মহা প্ৰবন্ধক।